প্ৰশ্ন ২ ঃ সৰ্বনামৰ পুৰুষ কেইপ্ৰকাৰৰ আৰু কি কি? 'আপুনি' সৰ্বনাম পদক নাম পুৰুষৰ পদ বুলি কোৱাৰ কি যুক্তি আছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ক্ৰিয়া কাক বোলে? অসমীয়া ভাষাত ক্ৰিয়াৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ক্ৰিয়া পদৰ পুৰুষকেইটা আৰু কি কি বহলাই উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ক্ৰিয়াৰ কাল কাক বোলে? ক্ৰিয়াৰ কাল কেইটা আৰু কি কি উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ অনুজ্ঞা মানে কি? অসমীয়া ভাষাত অনুজ্ঞা কেনেদৰে প্ৰকাশ কৰা হয় আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ ধাতু কাক বোলে? অসমীয়া ভাষাৰ ধাতুবোৰক শ্ৰেণী বিভাজন কৰি আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ বাচ্য শব্দৰ অৰ্থ কি? অসমীয়াত বাচ্য কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৯ ঃ ক্ৰিয়াৰ ভাব বুলিলে কি বুজে? ক্ৰিয়াৰ ভাব কেই প্ৰকাৰৰ, আলোচনা কৰক।

*** ***** ***

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত কেতবোৰ বিশেষ্য আৰু সৰ্বনাম শব্দ আছে, যিবোৰৰ শব্দৰ দ্বাৰা পুৰুষ বা স্ত্ৰীৰ ধাৰণা কৰিব নোৱাৰি, এইবোৰক লিংগ নিৰপেক্ষ ৰূপ বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কিছুমান বিশেষণে অন্য বিশেষণৰ গুণ, দোষ, অৱস্থা আদি বুজায়। এনেবোৰ বিশেষণক বিশেষণীয় বিশেষণ বোলা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) -কৈ প্ৰত্যয়।

(খ) -ও প্ৰত্যয়ান্ত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সকলো, সমূহ বা সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সৰ্বনাম পদক সাকল্যবাচক সৰ্বনাম বোলে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ ক্ৰিয়াপদে বাক্যৰ গঠন আৰু অৰ্থ সম্পূৰ্ণ কৰিব পাৰে, সেইবোৰকে সমাপিকা ক্ৰিয়া বোলে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ যি প্ৰক্ৰিয়াৰে ক্ৰিয়াপদৰ দ্বাৰা বৰ্ণিত কাৰ্য সংঘটিত হোৱাৰ ভাব বা ৰীতি বোধ হয়, তাকেই ক্ৰিয়া পদৰ ভাব (mood) বোলা হয়।



৬.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) বচন কাক বোলে?

খ) বচন নিৰপেক্ষ ৰূপ বুলিলে কি বুজে?

গ) লিংগ কাক বোলে?

ঘ) তদৰ্থক সৰ্বনাম কি?

ঙ) অসমীয়া ভাষাত লিংগ ব্যাকৰণগত বিষয় হয়নে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাত বচন নিৰ্ণয় কেনেদৰে কৰা হয়, আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ তদৰ্থক সৰ্বনাম সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বিশেষণ কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভাষাত বিশেষণৰ তাৰতম্য কেনেকৈ প্ৰকাশ কৰা হয়, আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সৰ্বনাম কাক বোলে? সৰ্বনাম কেই প্ৰকাৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

৬.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পণা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমণিকা;* ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০০১); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৮৭); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী।

৫) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞান পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

৬) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* ডিব্ৰুগড় ঃ বনলতা।

৭) দেৱী, প্ৰণীতা (২০০৭); *ভাষা বিজ্ঞানৰ জিলিকনি;* নলবাৰী (সৰুনৰ্দী) ঃ হীৰেন্দ্ৰনাথ শৰ্মা (প্ৰকাশক)।

৮) পাঠক, ৰমেশ (১৯৯৮); *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৯) পাঠক, ৰমেশ (২০০০); *ভাষা বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ নেচনেল প্ৰিণ্টাৰ্চ।

১০) ফুকন পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১১) বৰা, লীলাৱতী শইকীয়া (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১২) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

১৩) মহন্ত, বিপুল কুমাৰ (১৯৯২); *ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

১৪) হাজৰিকা, লক্ষী (২০০৬); *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটী ঃ আশা বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

১৫) Crystal, D. (1985); *Linguistics*; England: Clays Ltd. st. Ives plc.

১৬) Kakati, B. K. (2007). *Assamese ItsFormation and Development*, Guwahati: Layers' Book Stall.

৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নাই।

জানি থোৱা ভাল

ধাতুত পুৰুষ, কাল আৰু ভাব অনুযায়ী বিভিন্ন বিভক্তি যোগ কৰি ক্রিয়াৰ বিভিন্ন ৰূপ আৰু ব্যৱহাৰ নির্দেশ কৰাই হৈছে ধাতু ৰূপ।

ধাতুত সাধাৰণতে কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তি যোগ হ'লেহে একোটা সমাপিকা ক্রিয়া সম্পন্ন হয়। ধাতুবোৰত বিভক্তি যোগ হোৱাৰ ধৰণলৈ লক্ষ্য কৰি অসমীয়া ধাতু ৰূপকো দুটা ভাগত ভগাব পাৰি— মুখ্য বা মৌলিক ধাতু ৰূপ (Primary Conjunction) আৰু গৌণ বা সাধিত ধাতু ৰূপ (Secondary Conjunction)। যিবোৰ ধাতুত কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তি প্রত্যক্ষভাৱে যোগ কৰি বিভিন্ন সমাপিকা ক্রিয়া গঠন কৰা হয়, সেইবোৰ ধাতুৰ ৰূপক মুখ্য ধাতু ৰূপ বোলা হয়। গৌণ ধাতু ৰূপত ধাতুত কাল, ভাব আৰু পুৰুষবাচক সর্গ যোগ হোৱাৰ আগতে আন কৃৎ প্রত্যয় যোগ হয়। পাচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতুৰ ৰূপক সাধাৰণতে গৌণ ধাতুৰ ভিতৰত ধৰা হয়।



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ আলোচনাত বচন, লিংগ, কাৰক, বিশেষণ, সর্বনাম আৰু ক্রিয়াই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

- সংস্কৃতৰ পৰা পালি, প্রাকৃতৰ মাজেদি বিকাশ লাভ কৰি অসমীয়া ভাষা উদ্ভৱ হৈছে। সংস্কৃতৰ কিছুমান ৰূপতত্ত্বৰ কথা অসমীয়াতো প্রযোজ্য হয়। তথাপি ৰূপতত্ত্বৰ উল্লিখিত বিষয়সমূহৰ আলোচনাত দেখা গ'ল যে অসমীয়া ভাষাত অনেক স্বতন্ত্র বৈশিষ্ট্য আছে যিবোৰ সংস্কৃতত পাবলৈ নাই। যেনে— ব্যাকৰণগত বচন সংস্কৃতত আছে কিন্তু অসমীয়া ভাষাত নাই। অসমীয়া ভাষাৰ ৰূপতত্ত্বত আর্য ভিন্ন ভাষাৰ প্রভাৱ পৰিছে।
- ক্রিয়াৰ আলোচনা অতি সংক্ষিপ্তভাৱে কৰা হৈছে। পাঠ্যবিষয়ৰ সীমাবদ্ধতাৰ প্রতি লক্ষ্য ৰাখি ক্রিয়াৰ আলোচনা হোৱা বাবে সহায়কাৰী ক্রিয়া, নঞৰ্থক ক্রিয়া, নিমিতার্থক ক্রিয়াকে আদি কৰি ক্রিয়াৰ বিভিন্ন ৰূপৰ আলোচনা বাদ পৰিছে। বিশেষণ বা সর্বনামৰ প্রয়োগৰ সকলো দিশ খৰচি মাৰি আলোচনা কৰাৰ পৰিবর্তে সীমাবদ্ধতাৰ প্রতি লক্ষ্য ৰাখি কিছুমান বিষয় বাদ দিয়া হৈছে। ছাত্র-ছাত্রীসকলে এই অধ্যায়টিত বচন, লিংগ, কাৰক, বিশেষণ, সর্বনাম আৰু ক্রিয়া সম্পর্কে সম্যক জ্ঞান লাভ কৰিব পাৰিব আৰু অসমীয়া ভাষাৰ ব্যাকৰণ তথা গাঁথনিক দিশৰ জ্ঞান লাভ কৰিব পাৰিব।

যি ক্রিয়াৰ কার্য ভৱিষ্যতে হ'ব, তেনে ক্রিয়াৰ কালকে সাধাৰণ ভৱিষ্যৎ কাল বোলা হয়। যেনে— মই পঢ়িম, তুমি পঢ়িবা।

যিবোৰ কালৰ ক্রিয়াপদত দশা বাচক (aspect) আৰু কালবাচক প্রত্যয় যোগ হোৱাৰ পাছতহে ক্রিয়া বিভক্তি লগ লাগে, যি ক্রিয়াপদৰ পিচত সম্ভাব্যসূচক অনুপদ যোগ হয় আৰু যিবোৰ ক্রিয়াপদ অসমাপিকা ক্রিয়াৰ সংযোগতহে সম্পূর্ণ হয়, তেনেবোৰ ক্রিয়াৰ কালেই মিশ্র কাল। গঠন আৰু অর্থৰ ভিত্তিত যৌগিক কাল দুবিধ — পূৰ্বাঘটিত কাল (Perfect tense), ঘটমান কাল (Continuous tense)। পূৰ্বাঘটিত কালক পুনৰ দুটা ভাগত ভাগ কৰি আলোচনা কৰা হয় — স্বৰূপ বর্তমান আৰু (২) অপূর্ণভূত বা অতীত কাল।

যি কাম কিছু সময় আগতে শেষ হৈছে, কিন্তু তাৰ প্রভাৰ এতিয়াও চলি আছে, এনে অর্থ প্রকাশ কৰা ক্রিয়াৰ কালক স্বৰূপ বর্তমান বোলে। যেনে— কি খেলিছে, সি পঢ়িছে। আকৌ— ৰামায়ণ পঢ়িছানে? মহাভাৰত পঢ়িছানে? হয় পঢ়িছো। এনে বাক্যও ক্রিয়াৰ কাল বহু আগেয়ে শেষ হৈছে। কিন্তু তাৰ প্রভাৰ এতিয়াও চলি আছে। এনেবোৰ ক্রিয়াৰ কাল স্বৰূপ বর্তমানৰ। পূর্বে বা বাক্যত উল্লিখিত অন্য ঘটনাৰ পূর্বে হৈ যোৱা বা দূৰ অতীত বুজোৱা কালেই হৈছে অপূর্ণভূত বা পূৰ্বাঘটিত অতীত। উদাহৰণ— ছাদ্দাম হুছেইন ইৰাকৰ ৰাষ্ট্রপতি আছিল। (পূর্বে সংঘটিত হোৱা বুজাইছে)।

দূৰ অতীতত সদায় ঘটি থকা কার্য বুজাবলৈও অপূর্ণভূত কালৰ ক্রিয়া পদ বহে। যেনে — মই সদায় ফুৰিবলৈ গৈছিলোঁ।

আনহাতে ক্রিয়াৰ অবিচ্ছিন্নতা বুজোৱা কালকে ঘটমান কাল বোলা হয়। ঘটমান কালৰ তিনিটা ভাগ — ঘটমান বর্তমান (Present progressive), ঘটমান অতীত (Past progressive), আৰু ঘটমান ভৱিষ্যৎ (Future progressive)।

ক্রিয়াৰ কার্য বর্তমান সময়ত অবিচ্ছিন্নভাৱে চলি থকা বুজোৱা কালেই ঘটমান বর্তমান কাল। উদাহৰণ— মই লিখি আছোঁ, তুমি কি কৰি আছা?

ক্রিয়াৰ কার্য আগতেই আৰম্ভ হৈ বহু সময় ধৰি চলি থকা বুজোৱা কালেই ঘটমান অতীত। যেনে— তই শুই আছিলি, সিহঁতে কাম কৰি আছিল।

ক্রিয়াৰ কার্য ভৱিষ্যতে আৰম্ভ হৈ অবিচ্ছিন্নভাৱে চলি থকা বুজোৱা কালেই হৈছে ঘটমান ভৱিষ্যৎ। উদাহৰণ— কাইলৈ আমি গৈ থাকিম, পৰহিলৈ মই পাঠদানত ব্যস্ত থাকিম। তই কি কৰি থাকিবি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ক্রিয়া পদৰ ভাব (mood) কাক বোলা হয়?

.....

বাক্যত ক্রিয়াই ক'বলগীয়া কথাই হ'ল বাচ্য। বাচ্য শব্দৰ অর্থ হ'ল ক'বলগীয়া। বাক্যত ক্রিয়াই কর্তা, কর্ম আৰু ক্রিয়াৰ নিজৰ কথা বর্ণনা কৰে। কর্তাৰ কথা বর্ণিত হ'লে কর্তৃ-বাচ্য, কর্মৰ কথা বর্ণিত হ'লে কর্ম-বাচ্য আৰু ক্রিয়াৰ ৰূপৰ বর্ণনা থকা বাক্য ভাব-বাচ্যৰ। অর্থাৎ বাচ্য তিনিবিধ — কর্তৃ-বাচ্য (active voice), কর্ম-বাচ্য (passive voice), ভাব-বাচ্য (impersonal voice)।

কর্তৃ-বাচ্যৰ কর্তাত প্রথমা আৰু শূন্য বিভক্তি যোগ হয়। যেনে— চৰাই উৰে। (চৰাই + শূন্য বিভক্তি), দেউতাই মাতিছে। (দেউতা + ১মা -ই)।

কর্ম-বাচ্যৰ বাক্যত কর্তাত ষষ্ঠী -ৰ আৰু তৃতীয়াৰ দ্বাৰা অনুপদ যোগ হয়। ইয়াত কর্মটোত শূন্য বিভক্তি যোগ হয়। যেনে — সেনাৰ দ্বাৰা উগ্রপন্থী নিহত হৈছিল।

কেতিয়াবা কর্ম-বাচ্যৰ কর্ম-কাৰকত দ্বিতীয়া বিভক্তি যোগ হয় আৰু কর্তাটো উহ্য থাকে। যেনে— ৰমেনক অহাটো নিষিদ্ধ কৰা হৈছে। পুলিচক মতা হৈছে।

আকৌ প্রতিটো কর্তৃ-বাচ্যৰ বাক্য কর্ম-বাচ্যলৈ আৰু প্রায়বোৰ কর্ম-বাচ্যৰ বাক্যক কর্তৃবাচ্যলৈ ৰূপান্তৰ কৰিব পাৰি। যেনে— বাপেকে পুতেকক গালি পাৰিলে (কর্তৃ-বাচ্য), আপোনাৰ দ্বাৰা কামটো কৰা হ'ল (কর্ম-বাচ্য)।

ভূত কালিক কৃদন্ত ৰূপৰ পিছত 'হ' বা 'যা' ধাতুৰ পৰা উৎপন্ন ক্রিয়াৰ ব্যৱহাৰৰ দ্বাৰা বাক্যত ক্রিয়াৰ নিজৰ কথা বর্ণিত হয়। এয়ে ভাব-বাচ্য। উদাহৰণ— উপন্যাসখন লিখা হ'ল, ঠাইখন চাফ-চিকুণ কৰা হ'ল।

ক্রিয়াৰ সময়কে কাল বোলে। কোনো ক্রিয়া বা কার্য ঘটা বা সম্পন্ন হোৱাৰ সময়কে কাল বোলে। ক্রিয়াৰ কাল তিনিটা —বর্তমান কাল (Present Tense), অতীত কাল (Past Tense), ভৱিষ্যৎ কাল (Future Tense)।

ৰূপ (form) আৰু গঠন অনুযায়ী এই তিনিটা কালক দুটা প্রধান ভাগত ভাগ কৰা হয় — ক) সৰল বা মৌলিক কাল (Simple tense), খ) মিশ্র বা যৌগিক কাল (Compound tense)।

ক্রিয়াৰ সময় অনুযায়ী মৌলিক কাল তিনিটা — সাধাৰণ বা নিত্য বর্তমান (Present Indefinite), সাধাৰণ অতীত (Past Indefinite) আৰু সাধাৰণ ভৱিষ্যৎ (Future Indefinite)। যিবোৰ ক্রিয়া পদ ধাতুত পুৰুষবাচক বিভক্তিবোৰ প্রত্যক্ষভাৱে লগ লাগে আৰু যিবোৰ ক্রিয়া পদে নিয়ম, অভ্যাস, চলিত বর্তমান বা সার্বজনীন ভাব প্রকাশ কৰে সেইবোৰেই নিত্য বর্তমান। যেনে— মই কিতাপ পঢ়োঁ, আমি ভাত খাওঁ ইত্যাদি। কেতিয়াবা অতীতত ঘটা ঘটনা বুজাবলৈও নিত্য বর্তমান কালৰ ক্রিয়া পদ বহে। যেনে— ১৯৪৭ চনত ভাৰত স্বাধীন হয়।

যি ক্রিয়াৰ কার্য কোনো অনির্দিষ্ট অতীত কালত শেষ হৈছে, তেনে কালকে সাধাৰণ অতীত কাল বোলে। ইয়াক স্বৰূপ ভূত কাল বুলিও কোৱা হয়। উদাহৰণ— মই কামটো কৰিলোঁ, মানুহজন ঢুকাল।

নাম পুৰুষ ঃ -এ, -য় (আ কাৰান্ত ধাতুত)

উদাহৰণ—

উত্তম পুৰুষ ঃ মই খাওঁ আমি খাওঁ

মধ্যম পুৰুষ

তুচ্চ ঃ তই খাৱ তহঁতে খাৱ

মান্য ঃ তুমি খোৱা তোমালোকে খোৱা

নাম পুৰুষ ঃ সি/তাই খায় সিহঁতে খায়

আপুনি খায় আপোনালোকে খায়।

এই উদাহৰণবোৰৰ পৰা এটা কথা গম পোৱা যায় যে পুৰুষবাচক বিভক্তি বা ক্রিয়া বিভক্তিবোৰ বচন নিৰপেক্ষ; অর্থাৎ একবচন আৰু বহুবচনত একেই ক্রিয়া বিভক্তি প্রয়োগ হৈছে।

যি প্রক্রিয়াৰে ক্রিয়াপদৰ দ্বাৰা বর্ণিত কার্য সংঘটিত হোৱাৰ ভাব বা ৰীতি বোধ হয়, তাকেই ক্রিয়া পদৰ ভাব (mood) বোলা হয়। কেৱল দ্বিতীয় পুৰুষৰ তুচ্চ আৰু তৃতীয় পুৰুষৰ ক্রিয়াতহে ভাবৰ ভেদ দেখা যায়। অসমীয়াত ক্রিয়াৰ ভাব দুই প্রকাৰৰ— নির্দেশক ভাব (Indicative mood), অনুজ্ঞা ভাব (Imperative mood)

ক্রিয়াৰ সাধাৰণ ভাব প্রকাশৰ উপায়েই হৈছে নির্দেশক ভাব। বর্তমান, অতীত, ভৱিষ্যৎ তিনিও কালতে ক্রিয়াপদ নির্দেশক ভাবৰ হ'ব পাৰে। যেনে — মই পঢ়ো, মই পঢ়িলোঁ, মই পঢ়িম ইত্যাদি।

অনুজ্ঞা ভাবত আদেশ, অনুমতি, অনুৰোধ, আশীর্বাদ, ইচ্ছা আদি প্রকাশিত হয়। অনুজ্ঞা নিত্য বর্তমান কালৰ দ্বিতীয় আৰু তৃতীয় পুৰুষত আৰু ভৱিষ্যত কালৰ দ্বিতীয় পুৰুষত পোৱা যায়। কাল আৰু পুৰুষ অনুযায়ী নির্দেশক আৰু অনুজ্ঞাৰ বিভক্তিবোৰ এনে ধৰণৰ —

	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
	তুচ্চ	মান্য	
বর্তমান কাল	-ব	-আ	-অক/-ওক
ভৱিষ্যৎ কাল	-ইবি, -বি	-ইবা, -বা	

অনুজ্ঞাৰ বিভক্তিৰ প্রয়োগ এনেধৰণৰ—

বর্তমান ঃ তই ল তুমি লোৱা আপুনি লওক

ভৱিষ্যৎ ঃ তই লবি তুমি ল'বা

কেতিয়াবা অনুজ্ঞাৰ দ্বিতীয় পুৰুষৰ ৰূপৰ পিছত 'চোন' আৰু 'দেই' প্রয়োগ কৰি আদেশ, অনুৰোধ স্পষ্টকৈ দেখুওৱা হয়। যেনে— তুমি আহিবা দেই, তুমি আহিবাচোন ইত্যাদি।

শব্দবোৰত -আ প্রত্যয় যোগ কৰি ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। আচলতে ধন্যাত্মক ধাতুবোৰ নামধাতুৱেই। যেয়ে ধাতুৰ আলোচনাত বহু ব্যাকৰণত সাধিত ধাতুৰ কেৱল পাচনি আৰু নাম ধাতুৰহে আলোচনা কৰে। ধ্বন্যাত্মক ধাতুবোৰ সাধাৰণতে এটা অংশ বা দুটা অংশৰে গঠিত। উদাহৰণ— কেঁকা, ফোঁপা, কক্‌বকা, কেৰ্‌কেৰা, ধৰ্‌ফৰা, মেৰ্‌মেৰা, দপ্‌দপা ইত্যাদি।

এটা সাধিত ধাতুৰ লগত এটা মুক্ত প্রাকৃতি লগ লাগি বা এটাতকৈ বেছি মুক্ত প্রাকৃতি লগ লাগি অথবা এটা মুক্ত প্রাকৃতিৰ লগত এটা সাধিত ধাতু লগ লাগি হোৱা ধাতুক যৌগিক ধাতু বোলে। যৌগিক বা সংযুক্ত ধাতুৰ উদাহৰণ— জয় কৰ, ভাল কৰ (মুক্ত প্রাকৃতি + মুক্ত প্রাকৃতি — বিশেষ্য বা বিশেষণ +মৌলিক ধাতু); মৰণা মৰা, পতিয়ন নিয়া (মুক্ত প্রাকৃতি + সাধিত ধাতু); মৰা পৰ, শোৱা কৰ (ক্রিয়াৰ অতীত কৃদন্ত + ধাতু); লই যা, খাই পেলা (অসমাপিকা ক্রিয়া + ধাতু); বাগৰ মাৰ, থেকেচা মাৰ (প্রত্যয়ান্ত ধাতু + আন ধাতু)।

অসমীয়া ভাষাত এনে কিছুমান ধাতু আছে, যিবোৰৰ পিছত ক, চ, ট, ঠ, ৰ, ল আৰু হ এই ব্যঞ্জনকেইটা প্রত্যয় হিচাপে লগ লাগে। এইবোৰ দেখাত মৌলিক ধাতুৰ দৰে। প্রত্যয় যোগ দি ইহঁতৰ পৰা যৌগিক ধাতু গঢ়িবও পাৰি, ক্রিয়া বিশেষণো গঠন কৰিব পাৰি। উদাহৰণ — খলক্, গৰক্ (-ক প্রত্যয়ান্ত); থেকেচ্, খামোচ্ (-চ প্রত্যয়ান্ত); ঘোকট, নেওঠ্ (-ট, -ঠ প্রত্যয়ান্ত); চেকুৰ্, গোজৰ্ (-ৰ, প্রত্যয়ান্ত); টহল্, লেৰেল্ (-ল প্রত্যয়ান্ত); চোহ্, থেৰেহ্ (-ই প্রত্যয়ান্ত)।

কর্তা অনুসাৰে ক্রিয়াপদৰ পুৰুষ তিনিটা — উত্তম পুৰুষ (1st person), মধ্যম পুৰুষ (2nd person), নাম পুৰুষ (3rd person)। ক্রিয়াৰ যি বক্তা, সিয়েই উত্তম পুৰুষ। মই আৰু আমি উত্তম পুৰুষৰ কর্তা। যাৰ প্রতি লক্ষ্য কৰি কিবা কোৱা হয় সি দ্বিতীয় পুৰুষ (মধ্যম পুৰুষ)। 'তই', 'তুমি', 'আপুনি', 'তহঁত', 'তোমালোক', 'আপোনালোক' দ্বিতীয় পুৰুষৰ কর্তা। যাৰ সম্বন্ধে কিবা কোৱা হয়, সি তৃতীয় পুৰুষ (নাম পুৰুষ)। 'সি', 'তাই', 'তেওঁ', 'তেখেত', 'সিহঁত', 'তেওঁলোক' তৃতীয় পুৰুষ। মধ্যম পুৰুষৰ তুচ্ছ, মান্য আৰু অধিক মান্য এই তিনিটা ভাগ আছে। আপুনি অধিক মান্য। অর্থৰ ফালৰ পৰা ই দ্বিতীয় বা মধ্যম পুৰুষৰ সর্বনাম কিন্তু প্রয়োগৰ দিশৰ পৰা ই নাম পুৰুষৰ সর্বনাম। এই তিনিওটা পুৰুষৰ ক্রিয়াৰ ৰূপ বেলেগ বেলেগ হয়। ক্রিয়াপদৰ এই তিনিওটা পুৰুষ নির্দিষ্টকৈ দেখুৱাবলৈ কিছুমান সর্গ আছে। ইহঁতক পুৰুষ বাচক বিভক্তি বা ক্রিয়া বিভক্তি বোলে। এই বিভক্তিবোৰ এনে ধৰণৰ—

উত্তম পুৰুষ ঃ ওঁ

মধ্যম পুৰুষ

তুচ্চ ঃ অ

মান্য ঃ আ

তেনেদৰে -ওঁতে আৰু -ওৰাত প্ৰত্যয়ান্ত বৰ্তমান কৃদন্ত ৰূপৰ দ্বাৰাও ক্ৰিয়াৰ অসমাপিকা ৰূপ পাব পাৰি। যেনে— সি শোওঁতে মই নাছিলোঁ, দুৱাৰ ঢকিওৱাত সি দুৱাৰ খুলিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ সমাপিকা ক্ৰিয়া কাক বোলে?

.....

ক্ৰিয়াৰ মূলেই হৈছে ধাতু। ক্ৰিয়াপদৰ পৰা পুৰুষবাচক, কালবাচক আৰু ভাববাচক বিভিন্ন বিভক্তি বা চিহ্নবোৰ আঁতৰাই আনিলে যি মূল ৰূপ থাকে, তাকে ধাতু বোলে। যেনে— খালোঁ, খাইছোঁ, খাইছিলোঁ, খাম, খাওঁক। এই ক্ৰিয়াপদকেইটাৰ পৰা -ওঁ, -ইছোঁ, -ইছিলোঁ, -ম, -ওক আঁতৰাই আনিলে তাৰ মূল ৰূপ হ'ব 'খা'। ইয়েই উল্লিখিত ক্ৰিয়াপদকেইটাৰ মূল বা ধাতু।

অসমীয়া ভাষাৰ ধাতুবোৰৰ উৎপত্তি, প্ৰকৃতি আৰু গাঁথনিক দিশ বিচাৰ কৰি তিনিটা ভাগত ভগাব পাৰি। যেনে— মুখ্য বা মৌলিক ধাতু (Primary roots), গৌণ বা সাধিত ধাতু (Secondary roots), যৌগিক ধাতু বা সংযুক্ত ধাতু (Compound roots) ।

যিবোৰ ধাতু স্বয়ংসিদ্ধ, যিবোৰ ধাতুক ভাঙি খণ্ড খণ্ড কৰিব নোৱাৰি, সেইবোৰেই মৌলিক বা মুখ্য ধাতু। মুখ্য ধাতুবোৰৰ কিছুমান সংস্কৃতৰ পৰা প্ৰাকৃতৰ মাজেদি আহিছে, কিছুমান ধাতু সংস্কৃতৰ উপসৰ্গজাত ধাতুৰ পৰা আহিছে আৰু কিছুমান ধাতু সংস্কৃতৰ পাচনি ধাতুৰ পৰা আহিছে। উদাহৰণ— কৰ্, দেখ্, পঢ়্, উজা, ওপজ্, ওলম্, ফাল্, পাৰ্, থ, দা, ওখল্, ক, থ ইত্যাদি।

যিবোৰ ধাতুক অৰ্থপূৰ্ণভাৱে ভাঙি খণ্ড খণ্ডকৈ দেখুৱাব পাৰি, সেইবোৰেই গৌণ বা সাধিত ধাতু। সাধিত ধাতু ভাঙিলে এটা ধাতু বা নাম শব্দ আৰু একাধিক প্ৰত্যয় পোৱা যায়। সাধিত ধাতুৰ তিনিটা ভাগ— পাচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতু।

আনক পাচি বা আনৰ হতুৱাই কোনো কাৰ্য কৰা বুজোৱা ধাতুবোৰেই পাচনি ধাতু। পাঁচনী ধাতু গঠন কৰা প্ৰত্যয় হ'ল— -আ, -উৱা আৰু -ওৱা। উদাহৰণ—কোৱা, ধৰা, নিয়া, মৰোৱা, পলুৱা, কামোৰা ইত্যাদি। আনহাতে বিশেষ্য আৰু বিশেষণ পদত প্ৰত্যয় যোগ কৰি এক প্ৰকাৰ সাধিত ধাতু গঠন কৰিব পাৰি। এনে সাধিত ধাতুক নাম ধাতু বোলে। যেনে— চৰা, লঠিয়া, টঙনীয়া, দীঘলা, বহলা, ঘুচিয়া, ভুকুৰা, পিছুৱা, তপতা, কোমলা, চৰিয়া, খীনা ইত্যাদি। এই নাম ধাতুবোৰ গঠন হওঁতে তিনিটা প্ৰত্যয় -আ, -ইয়া আৰু -উৱা যোগ হয়। কোনো ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা ধ্বন্যাত্মক

কৰিলে। এই বাক্যটোত 'যাওঁ যাওঁ' ক্রিয়াটি পুৰুষৰ বিভক্তি লগ লাগিছে বাবে ইহঁত সমাপিকা ক্রিয়া হয় যদিও বাক্য শেষ কৰিব পৰা নাই। বাক্য শেষ কৰিবৰ বাবে অন্য সমাপিকা ক্রিয়াৰ সহায় লোৱা হৈছে।

বাক্য একোটাত ক্রিয়াৰ কর্ম থকা বা নথকা অনুযায়ী সমাপিকা ক্রিয়া দুবিধ — সকর্মক ক্রিয়া আৰু অকর্মক ক্রিয়া।

- সকর্মক ক্রিয়া ঃ যিবিলাক সমাপিকা ক্রিয়াৰ কর্ম থাকে, তাকে সকর্মক ক্রিয়া বোলে। যেনে— 'মই খৰি ফালিছোঁ।' ইয়াত কর্ম হ'ল 'খৰি'। কেতিয়াবা এটা বাক্যত দুটা কর্ম থাকিব পাৰে। তেতিয়া এটা মুখ্য কর্ম, আনটো গৌণ কর্ম হ'ব। 'মন্ত্রীজনাই ৰাইজকৰ বান সমস্যা নিৰাময়ৰ কথা কৈছে' — ইয়াত 'বান সমস্যা নিৰাময়ৰ কথা' মুখ্য কর্ম আৰু 'ৰাইজ' গৌণ কর্ম।
- অকর্মক ক্রিয়া ঃ যিবোৰ সমাপিকা ক্রিয়াৰ কর্ম নাথাকে, তাকে অকর্মক ক্রিয়া বোলে। কিছুমান অকর্মক ধাতুৰ পৰা উদ্ভৱ হোৱা ক্রিয়াৰ কর্ম নাথাকে। চৰ্, মৰ্, বুৰ্, উৰ্, উঠ্, বহ্ আদি অকর্মক ধাতুৰ পৰা চৰিছে, মৰে, বুৰিছে, উৰিছে, উঠিছে, বহিছে ক্রিয়া অকর্মক। অকর্মক ক্রিয়াৰ কর্তাত ১মা বিভক্তি যোগ নহয়। যেনে— মানুহ মৰে, চৰাই উৰিছে।

  সাধাৰণতে হঁহা, কন্দা, নচা, ভ্রমণ, গমন, শয়ন, পতন, মৰণ আদি অর্থত ধাতুবোৰ অকর্মক হয়। কিন্তু কেতিয়াবা অকর্মক ক্রিয়াকো সকর্মক কৰা হয়। যেনে— ছোৱালীজনীয়ে ঝুমুৰ নাচ নাচিছে, সি আমাক হঁহুৱালে — ইয়াত নাচিছে আৰু হঁহুৱালে সকর্মক ক্রিয়া।

➢ *অসমাপিকা ক্রিয়া ঃ* যি ক্রিয়াই বাক্য সম্পূর্ণ কৰিব নোৱাৰে আৰু বাক্য সম্পূর্ণ কৰিবৰ বাবে অন্য ক্রিয়াৰ ওপৰত নির্ভৰ কৰিবলগা হয়, তেনে ক্রিয়াই অসমাপিকা ক্রিয়া। অসমাপিকা ক্রিয়াত পুৰুষ বিভক্তি লগ নালাগে। যেনে — চাইকেল চলাই ভাগৰ লাগিছে। এই বাক্যত 'চলাই' অসমাপিকা ক্রিয়া। ই বাক্য সম্পূর্ণ কৰিব পৰা নাই। 'লাগিছে' ক্রিয়াইহে বাক্য সম্পূর্ণ কৰিছে।

অসমাপিকা ক্রিয়া পদৰ গঠনত এটা ৰূপাত্মক সর্গ বা বিভক্তিৰ প্রয়োগ হোৱা দেখা যায়। এই বিভক্তিটো হৈছে -ই। উল্লেখ কৰি অহা অসমাপিকা ক্রিয়াবোৰত এই প্রাকৃতিটো প্রয়োগ হৈছে। ইয়াৰ প্রয়োগ অবিহনে অসমাপিকা ক্রিয়া গঠনত আউল লাগিব। সেয়ে ইয়াৰ প্রয়োগক ব্যাকৰণগত বিষয় বোলা হয়।

অসমাপিকা ক্রিয়াপদ প্রত্যয় যোগতো গঠন কৰিব পাৰি। অতীত কৃদন্ত পদ গঠন কৰা -ইলে বা -লে আৰু -লত বা -ইলত প্রত্যয় কোনো ধাতুৰ পিছত যোগ দিও অসমাপিকা পদ গঠন কৰিব পাৰি। যেনে — মাকে খুৱালে সি খায়, মাক শুলে সিয়ো শোৱে।

❍ এনেকুৱা, এনেকুৱাকৈ, তেনেকুৱা, তেনেকুৱাকৈ, যেনেকুৱা, যেনেকুৱাকৈ, কেনেকুৱা, কেনেকুৱাকৈ আদি পদেও ধৰণকে বুজায়। এই সৰ্বনামবোৰো অব্যয়।

গোলোক চন্দ্ৰ গোস্বামীয়ে তেওঁৰ *অসমীয়া ব্যাকৰণ প্ৰৱেশ* গ্ৰন্থত সৰ্বনামক এই তিনিটা ভাগত ভাগ কৰিছে। আকৌ লীলাৱতী শইকীয়া বৰাই তেওঁৰ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব* গ্ৰন্থত সৰ্বনামক সাতটা ভাগত ভগাইছে। তেওঁ কৰা বিভাজনকেইটা হ'ল— ব্যক্তিবাচক সৰ্বনাম, নিৰ্দেশক সৰ্বনাম, সাকল্যবাচক সৰ্বনাম, সংগতিসূচক সৰ্বনাম, অনিশ্চয় বা অনিৰ্দিষ্টতাবাচক সৰ্বনাম, প্ৰশ্নবাচক সৰ্বনাম আৰু আত্মবাচক সৰ্বনাম। অৱশ্যে এই সাতটা ভাগকে গোলোক চন্দ্ৰ গোস্বামীৰ সৰ্বনামৰ তিনিটা বিভাগে সামৰি লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সাকল্যবাচক সৰ্বনাম কাক বোলে?

.....

৬.৩.৬ ক্ৰিয়া

ক্ৰিয়া হ'ল সব্যয় পদৰ এটি বিভাগ। যিবোৰ পদে কোনো কাৰ্য কৰা, ঘটা, হোৱা, নাইবা কৰি থকা, ঘটি থকা, হৈ থকা, নতুবা এইবোৰৰ নেতিবাচক অৰ্থ বুজায়, সেইবোৰকে ক্ৰিয়াপদ বোলে। উদাহৰণ— মই পঢ়োঁ, মই পঢ়িছোঁ, মই লিখি লিখি পঢ়িম। বাক্যকেইটিত মই সৰ্বনামৰ বাহিৰে বাকীবোৰ ক্ৰিয়াপদ।

ক্ৰিয়াৰ আলোচনাত বা ক্ৰিয়াৰ লগত ৰূপতত্ত্বৰ কেইবাটাও দিশ জড়িত হৈ থাকে। সেইকেইটা হ'ল— ধাতু, পুৰুষ, কাল, ভাব (mood) আৰু বাচ্য। এইকেইটাৰ আলোচনা অবিহনে ক্ৰিয়াৰ আলোচনা সম্পূৰ্ণ নহয়।

সকলো ক্ৰিয়াপদকে ইহঁতৰ ৰূপ আৰু অৰ্থৰ ভিত্তিত দুটা বহল ভাগত ভগাব পাৰি। যেনে— সমাপিকা ক্ৰিয়া আৰু অসমাপিকা ক্ৰিয়া।

➢ *সমাপিকা ক্ৰিয়া ঃ* যিবোৰ ক্ৰিয়াপদে বাক্যৰ গঠন আৰু অৰ্থ সম্পূৰ্ণ কৰিব পাৰে, সেইবোৰকে সমাপিকা ক্ৰিয়া বোলে। যেনে— মই লিখি শেষ কৰিলোঁ। ইয়াত 'কৰিলোঁ' ক্ৰিয়াপদে লিখা কাম সম্পূৰ্ণ হোৱা বুজাইছে। গতিকে ই সমাপিকা ক্ৰিয়া। সমাপিকা ক্ৰিয়াত সদায় পুৰুষবাচক বিভক্তি লগ লাগে। সেয়ে পুৰুষৰ বিভক্তিযুক্ত ক্ৰিয়াপদকে সমাপিকা ক্ৰিয়া বোলে। সমাপিকা ক্ৰিয়াক সাধ্যা ক্ৰিয়াও বোলে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে কেতিয়াবা সমাপিকা ক্ৰিয়া অসমাপিকা ক্ৰিয়া হিচাপেও প্ৰয়োগ হ'ব পাৰে। যেনে— আপুনি যাওঁ যাওঁ বুলি ইমান দেৰি

➢ *তদর্থক সর্বনাম ঃ* অসমীয়া ভাষাত কিছুমান সর্বনামৰ আদিতে স- বা ত-, য- আৰু ক- থাকি বেলেগ বেলেগ অর্থ প্রকাশ কৰে। স- আৰু ত-ৰ অর্থ দূৰ বা পৰোক্ষ, য-ৰ অর্থ সংগতিসূচক আৰু ক-ৰ অর্থ প্রশ্নবোধক বা অনিশ্চয়ার্থক। সর্বনামটোৰ আদিতে লগ লগা উপসর্গটোৰ অর্থকে প্রকাশ কৰে কাৰণে তদর্থক সর্বনাম বোলা হয়। তদ্‌মনে সি বা সেইটো, অর্থাৎ উপসর্গটো। উপসর্গটোৰ অর্থই বলাই নিয়ে কাৰণে এই সর্বনামবোৰৰ এনে নাম দিয়া হৈছে। তদর্থক সর্বনামবোৰ হ'ল —

প্রত্যক্ষ	**পৰোক্ষ**	**সংগতিসূচক**	**প্রশ্নবোধক**	**অনিশ্চয়ার্থ**
	স- বা ত-	**য-**	**ক-**	**-বা**
ই	সি	যি	কি	কিবা
	তিহ	যিহ	কিহ	কিহবা
ইমান	সিমান	যিমান	কিমান	কিছুমান
এই	সেই	যেই	কেই	কেইবা
	সৌ			
এতিয়া	তেতিয়া	যেতিয়া	কেতিয়া	কেতিয়াবা
অথনি	তাহানি	যেতিয়া	কাহানি	কাহানিবা
এতেক	তেতেক	যেতেক	কেতেক	
এনি	তেনি	যেনি	কেনি	কেনিবা
এনে	তেনে	যেনে	কেনে	কেনেবা
এনেকৈ	তেনেকৈ	যেনেকৈ	কেনেকৈ	কেনেবাকৈ
এনেকুৱা	তেনেকুৱা	যেনেকুৱা	কেনেকুৱা	
এনেকুৱাকৈ	তেনেকুৱাকৈ	যেনেকুৱাকৈ	কেনেকুৱাকৈ	

তদর্থক সর্বনামবোৰৰ—

- ই, সি, যি পদে মানুহক বা অচেতন পদার্থক বুজায়।
- ইমান, সিমান, যিমান, কিমান, কিছুমান পদে পৰিমাণ বুজায়।
- এতেকে, তেতেকে, যেতেক, কেতেক সর্বনামেও পৰিমাণ বুজায়।
- এই, সেই, সৌ, যেই, কেই, কেইবা সর্বনামৰ পিছত -টো, -খন, -জন আদি উপশব্দ যোগ হয়। যেনে— এইখন, সৌখন, এইজন ইত্যাদি।
- এতিয়া, তেতিয়া, কেতিয়া, যেতিয়া, কেতিয়াবা, অথনি, তাহানি, কাহানি পদে সময় বা কাল বুজায়।
- এনি, তেনি, যেনি, কেনি, কেনিবা পদে দিশ বুজায়। দিশ বুজোৱা এই সর্বনামবোৰ অব্যয়।
- এনে, তেনে, যেনে, যেন, কেনে, কেনেবা পদে ধৰণ বুজায়।

সেইবোৰক ব্যক্তিবাচক সর্বনাম বোলে। ব্যক্তিবাচক সর্বনাম তিনি প্রকাৰৰ — উত্তম পুৰুষ (প্রথম পুৰুষ) সর্বনাম, দ্বিতীয় পুৰুষৰ সর্বনাম আৰু নাম পুৰুষৰ (তৃতীয় পুৰুষ) সর্বনাম। ব্যক্তিবাচক সর্বনামবোৰৰ একবচন আৰু বহুবচনৰ ৰূপ পোৱা যায়।

পুৰুষ	**একবচন**	**বহুবচন**
উত্তম পুৰুষ (প্রথম পুৰুষ)	মই	আমি
মধ্যম পুৰুষ (মান্য)	তুমি	তোমালোক
মধ্যম পুৰুষ (তুচ্ছ)	তই	তহঁত

উত্তম পুৰুষ (১ম পুৰুষ) আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন সকলোবোৰ নাম পুৰুষ। যেনে—

একবচন	**বহুবচন**
আপুনি	আপোনালোক, আপোনাসকল
এওঁ	এওঁলোক
তেওঁ	তেওঁলোক, তেওঁবিলাক
কোন	কোনবিলাক, কোনবোৰ

উত্তমপুৰুষ, দ্বিতীয় পুৰুষ আৰু নাম পুৰুষৰ সর্বনামবোৰৰ ভিতৰত মই, তই, তুমি, আপুনি, সি, তাই, তেওঁ, তেখেত, আমি— এই সর্বনামবোৰ কর্তা কাৰকৰ। ইয়াৰ ১মা বিভক্তি যোগ নহয়। এইবোৰত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হয়। আনহাতে এই ৰূপবোৰৰ তীর্যক ৰূপত কর্তাৰ বাহিৰে সকলো কাৰক বিভক্তি লগ লাগে। যেনে—

কর্ম	ঃ	মোক, তোক, তোমাক, আপোনাক, তাক।
কৰণ	ঃ	মোৰ দ্বাৰা, তোৰ দ্বাৰা, তোমাৰ দ্বাৰা, আপোনাৰ দ্বাৰা, তাৰ দ্বাৰা।
নিমিত্ত	ঃ	মোলৈ, তোলৈ, তোমালৈ, আপোনালৈ, তালৈ।
অপাদান	ঃ	মোৰ পৰা, তোৰ পৰা, তোমাৰ পৰা, আপোনাৰ, তাৰ পৰা।
অধিকৰণ	ঃ	মোত, তোত, তোমাত, আপোনাত, তাত।
সম্বন্ধ	ঃ	মোৰ, তোৰ, তোমাৰ, আপোনাৰ, তাৰ।

➢ *সাকল্যবাচক সর্বনাম ঃ* সকলো, সমূহ বা সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সর্বনাম পদক সাকল্যবাচক সর্বনাম বোলে। বহুতো প্রাণী বা বস্তুৰ নামৰ সলনি এই সর্বনাম ব্যৱহৃত হয়। অসমীয়াত এনে সর্বনাম সাতটা। সকলো, সমূহ, উভয়, আটাই, গোটেই, সব আৰু সদৌ। এইবোৰ বহুবচন বাচক। তথাপি সকলোবোৰ, সকলোবিলাক, আটাইবোৰ, আটাইবিলাক আদি ৰূপৰো প্রয়োগ হয়। আন উদাহৰণ— উভয়লৈ, উভয়কে, আটায়ে, সমূহকে, গোটেইমখা, গোটেইটো, সবেই, সবাতো, সবাৰো, সবাতো, সদৌটি, সদৌটিলৈ ইত্যাদি।

কেবাটাও বিশেষ্য একেলগে ব্যৱহাৰ কৰি শেষৰটোত ষষ্ঠী বিভক্তি -ৰ ব্যৱহাৰ কৰি তাৰ পিছত ভিতৰত, মাজত পদ বহুওৱা হয়। তাৰ পিছত তুলনীয় পদটো বহুওৱা হয়। বিশেষণীয় পদটো একেবাৰে পিছত বহে। যেনে— প্ৰাগজ্যোতিষ কলেজ, গুৱাহাটী কলেজ, কটন কলেজৰ ভিতৰত কটন কলেজেই পুৰণি।

দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ কৰি প্ৰথমটোত ষষ্ঠী -ৰ আৰু -ও প্ৰত্যয়ান্ত কৰি বহুতৰ মাজত তুলনা কৰিব পাৰি। যেনে— ভালৰো ভালখিনি আনিবা।

কেতিয়াবা বিশেষণৰ পিছত -ত বিভক্তি আৰু -কৈও প্ৰত্যয় যোগ দি বহুতৰ মাজত তুলনা কৰা হয়। যেনে— সৰুতকৈয়ো সৰু হৈ কথাখিনি ক'বা।

সাদৃশ্য বা সমান ভাব বুজাবলৈয়ো তুলনা কৰা হয়। যাৰ লগত তুলনা কৰা হয়, তাৰ পিছত ষষ্ঠী -ৰ বিভক্তি যোগ কৰি দৰে, নিচিনা অনুপদ যোগ কৰা হয়। যেনে— সিংহৰ দৰে গোঁজৰণি, চেনিৰ দৰে মিঠা।

কেতিয়াবা 'হেন' অনুপদ বহুওৱা হয়, তেতিয়া ষষ্ঠী -ৰ বিভক্তি নবহে। যেনে— ভীমহেন বলবান, পানীহেন দাম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালি ঠাই পূৰণ কৰক—

(ক) অসমীয়া ভাষাত দুটাৰ মাজত তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই প্ৰাণীবাচক বা অপ্ৰাণীবাচক শব্দটোৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত ..... যোগ দি তাৰ পিছত বিশেষণটো ব্যৱহাৰ কৰা হয়।

(খ) দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ কৰি প্ৰথমটোত ষষ্ঠী -ৰ আৰু .....কৰি বহুতৰ মাজত তুলনা কৰিব পাৰি।

৬.৩.৫ সৰ্বনাম আৰু সৰ্বনামীয় ৰূপ

সৰ্বনাম হ'ল নাম পদৰ এটি বিভাগ। বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদবোৰেই সৰ্বনাম। সৰ্ব অৰ্থাৎ সকলো নাম বা বিশেষ্যৰ সলনি ব্যৱহৃত হয় কাৰণেই এই নাম পদক সৰ্বনাম বোলা হয়। উদাহৰণ—'গোপীনাথ বৰদলৈ সভালৈ আহিছিল। তেওঁ ভাষণ প্ৰদান কৰিছিল।' ইয়াত দ্বিতীয়টো বাক্যত 'গোপীনাথ বৰদলৈ'ৰ ঠাইত 'তেওঁ' প্ৰয়োগ হৈছে। এইবোৰ সৰ্বনাম।

সৰ্বনাম পদক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি — ব্যক্তিবাচক সৰ্বনাম, সাকল্যবাচক সৰ্বনাম, তদৰ্থক সৰ্বনাম।

➢ *ব্যক্তিবাচক সৰ্বনাম ঃ* যিবোৰ সৰ্বনামে ব্যক্তি অৰ্থাৎ মানুহ অথবা প্ৰাণীক বুজায়



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বিশেষণীয় বিশেষণ কাক বোলে?

.....

দুটা বা তাতকৈ অধিক বস্তু বা প্রাণীৰ মাজত তুলনা কৰি এটা আনটোতকৈ বা আন সকলোতকৈ উৎকৃষ্ট বা নিকৃষ্ট বুলি দেখুৱাবলৈ অসমীয়া ভাষাত কেতবোৰ নিয়ম আছে। এই নিয়ম প্রত্যেক ভাষাতে বিদ্যমান। সংস্কৃত ভাষাত বিশেষণ শব্দত -তৰ, -তম, -ইষ্ঠ প্রত্যয় যোগ দি দুটা বা বহুতৰ মাজত তুলনা কৰা হয়। যেনে—

	বিশেষণ দুটাৰ মাজত তুলনা	**বহুতৰ মাজত তুলনা**
বৃহৎ	বৃহত্তৰ	বৃহত্তম
গুৰু	গুৰুতৰ	গুৰুতম/গৰিষ্ঠ
ক্ষুদ্র	ক্ষুদ্রতৰ	ক্ষুদ্রতম ইত্যাদি।

অসমীয়া ভাষাতো যিবোৰ বিশেষণ শব্দ সংস্কৃতৰ পৰা আহিছে সেইবোৰ তৎসম বিশেষণ শব্দৰ সংস্কৃতৰ নিয়মেৰে তুলনা কৰা হয়। অৱশ্যে এই নিয়ম অসমীয়াত বেছি কটকটীয়া নহয়।

অসমীয়া ভাষাত দুটাৰ মাজত তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই প্রাণীবাচক বা অপ্রাণীবাচক শব্দটোৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত -কৈ প্রত্যয় যোগ দি তাৰ পিছত বিশেষণটো ব্যৱহাৰ কৰা হয়। যেনে— যাদৱতকৈ প্রকাশ সৰু। কেতিয়াবা এটাতকৈ আনটোত বেছি থকা বুজাবলৈ -কৈ প্রত্যয়ান্ত ৰূপৰ আগত বা পিছত ব্যৱহৃত তুলনীয় নামপদটোত ষষ্ঠী -ৰ বা সপ্তমী -ত প্রত্যয় যোগ হয়। যেনে— গৰুতকৈ ম'হৰ শক্তি বেছি।

কেতিয়াবা ইংৰাজী ভাষাৰ অনুকৰণত আপেক্ষিকভাৱে, তুলনামূলকভাৱে 'তুলনাত' পদেৰেও দুটাৰ মাজত তুলনা বুজোৱা হয়। যেনে— ডিব্রুগড়তকৈ গুৱাহাটী আপেক্ষিকভাৱে আগবঢ়া, তেজপুৰৰ তুলনাত গুৱাহাটী বেছি অপৰিষ্কাৰ।

বিধেয়ক ৰূপে শেষত বহা বিশেষণৰ আগত অর্থ অনুসৰি বহুত, অনেক, অধিক, অত্যন্ত, বেছি, অলপ, কম, ভালেখিনি ইত্যাদি বিশেষণ ব্যৱহাৰ কৰা হয়। যেনে— কাছতকৈ শহা বহুত বেগী, যদু মধুতকৈ অলপ ওখ।

কেতিয়াবা বহলাই বুজাই দিও তুলনা প্রকাশ কৰা হয়। যেনে— ৰামায়ণ আৰু মহাভাৰতৰ ভিতৰত ৰামায়ণেই বেছি পুৰণি। যদু আৰু মধুৰ ভিতৰত মধু বেছি ভাল।

বহুতৰ মাজত তুলনা বুজাবলৈ 'আটাই' আৰু 'সকলো' শব্দত অধিকৰণ কাৰকৰ -ত যোগ দি তাৰ পিছত -কৈ যোগ দিয়া হয়। যেনে — এইটো আটাইতকৈ বগা বা আটাইতকৈ এইটো বগা।

- *বিশেষ্যৰ বিশেষণ ঃ* যিবোৰ বিশেষণ পদ সাধাৰণতে বিশেষ্য পদৰ আগত বহি ইহঁতৰ গুণ-দোষ, অৱস্থা, পৰিমাণ, সংখ্যা আদি বুজায় সেইবোৰেই বিশেষ্যৰ বিশেষণ। উদাহৰণ— চেঁচা বতাহ, গৰম দিন, বগা কাপোৰ, স্বদেশী কাপোৰ, বিদেশী বস্ত্র ইত্যাদি। ইয়াত বিশেষণ পদবোৰে বিশেষ্য পদটোৰ বিষয়ে কিবা এটা ব্যক্ত কৰিছে। কেতিয়াবা বিশেষ্যৰ বিশেষণ পদটো নাম পদৰ পিছতো বহে। যেনে— কুকুৰ বৰ প্রভুভক্ত প্রাণী, মানুহজনী সাংঘাটিক চুৰুণী। এই বাক্যবোৰত ব্যৱহাৰ হোৱা বিশেষণবোৰ বাক্যত থকা বিশেষ্য পৰা পিছফালে আৰু আঁতৰি বহিছে। এনেকৈ নামপদৰ পৰা আঁতৰি বহা বিশেষণ পদক বিধেয় বিশেষণ বোলে।
- *সর্বনামৰ বিশেষণ ঃ* সর্বনামৰ গুণ, দোষ, অৱস্থা আদি বুজোৱা বিশেষণবোৰেই সর্বনামৰ বিশেষণ। সর্বনামৰ বিশেষণ সাধাৰণতে সর্বনামৰ পিছত বহে। সেই কাৰণে সর্বনামৰ বিশেষণক বিধেয় বিশেষণ বোলে। উদাহৰণস্বৰূপে — আপুনি উদাৰ, তই ভীৰু ইত্যাদি। কেতিয়াবা আবেগত কোৱা কথাত সর্বনামৰ আগতো সর্বনামৰ বিশেষণ বহে। যেনে— মহা বলৱান তেওঁ, অতি সাহসী তোমালোক। আকৌ সমাস হৈ সাধিত হোৱা সমস্ত পদত বিশেষণ পদটো কেতিয়াবা বিশেষ্যৰ পিছতে লগ লাগে। যেনে— নক্ষত্র-বিশেষ, সচিব-প্রধান, সময়-বিশেষ ইত্যাদি।
- *বিশেষণীয় বিশেষণ ঃ* কিছুমান বিশেষণে অন্য বিশেষণৰ গুণ, দোষ, অৱস্থা আদি বুজায়। এনেবোৰ বিশেষণক বিশেষণীয় বিশেষণ বোলা হয়। উদাহৰণ— মানুহজন অতিপাত খঙাল, অতি শান্ত ছোৱালীজনী। এই বাক্যকেইটিত অতিপাত, অতি বিশেষণকেইটাই ক্রমে— খঙাল, শান্ত বিশেষণক বিশেষকৈ বুজাইছে। গতিকে অতিপাত, অতি হ'ল বিশেষণীয় বিশেষণ।

  বিশেষণীয় বিশেষণে ক্রিয়া বিশেষণকো বিশেষকৈ দেখুৱায়। যেনে— মানুহজনে বৰ শুৱলাকৈ ভাষণ দিয়ে। ইয়াত 'বৰ' পদে 'শুৱলাকৈ ভাষণ দিছে' পদক বিশেষকৈ বুজাইছে। কেতিয়াবা একাধিক বিশেষণৰো একেলগে প্রয়োগ হয়। যেনে— বৰ বেছি বুধিয়ক মানুহ, অত্যন্ত সৎসাহসী লোক।
- *ক্রিয়া বিশেষণ ঃ* ক্রিয়াৰ গুণ, লক্ষণ, সময়, ঠাই আদি বুজোৱা শব্দবোৰেই ক্রিয়া বিশেষণ। যেনে— খৰকৈ খোৱা বেয়া, বেগাই খোজ কাঢ়িবা। ইয়াত খৰকৈ, বেগাই বিশেষণে ক্রিয়া পদৰ গুণ, অৱস্থা আদি বুজাইছে। নাম বিশেষণৰ পিছত -ক্র, -এৰে, -আই যোগ দিলে ক্রিয়া বিশেষণ হয়। যেনে— ভালে আছানে? কুশলে থাকা। উদাহৰণকেইটিত ভাল, কুশলত ক্রমে -এ, -এ যোগ হৈছে। নাম বিশেষণৰ পিছত -কৈ অনুসর্গ যোগ কৰিও ক্রিয়া-বিশেষণ কৰা হয়। যেনে— বেছিকৈ ল'লে, পলমকৈ আহিল, ভুলকৈ ক'লে ইত্যাদি। দ্বিৰুক্তি যোগেও ক্রিয়া-বিশেষণ হয়। যেনে— লাহে লাহে আহা, খৰ খৰকৈ পঢ়া ইত্যাদি।

ঘৰ শব্দৰ লগত 'মোৰ' এটা সম্বন্ধ স্থাপিত হৈছে। কিন্তু ঘৰ শব্দটো ক্রিয়া পদ নহয়। নামপদহে। কাৰকৰ সূত্র অনুযায়ী ক্রিয়াপদৰ লগত আন পদৰ সম্বন্ধকহে কাৰক বোলে। 'ঘৰ' ক্রিয়াপদ নোহোৱা বাবে এনে সম্বন্ধক সম্বন্ধ পদ বোলা হয়। সম্বন্ধ পদক কাৰক বোলা নহয়। গতিকে অসমীয়া ভাষাত কাৰক ছটাহে। এই বিষয়ে পৰৱর্তী অধ্যায়ত বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ লিংগ নিৰপেক্ষ ৰূপ কাক বোলে?

.....

৬.৩.৪ বিশেষণ আৰু বিশেষণৰ তুলনা

বিশেষণ হ'ল নাম পদৰ এটি বিভাগ। পদক বিভক্তি যুক্ত হোৱা আৰু নোহোৱাৰ ওপৰত ভিত্তি কৰি দুটা ভাগত ভগোৱা হয়— অব্যয় আৰু সব্যয়। অব্যয় পদত বিভক্তি যোগ নহয়। সব্যয় পদক বিভক্তি গ্রহণৰ প্রকাৰ লৈ দুটা ভাগত ভগোৱা হয়— নামপদ আৰু ক্রিয়াপদ। নামপদক ইহঁতৰ প্রয়োগ আৰু স্বকীয় বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি তিনিটা ভাগত ভগোৱা হয় — বিশেষ্য পদ, সর্বনাম পদ আৰু বিশেষণ পদ।

যি পদে আন পদৰ বিষয়ে বিশেষকৈ বুজায় বা বিশেষ কিবা দোষ-গুণ আদি প্রকাশ কৰে, তেনে পদকে বিশেষণ পদ বোলে। উদাহৰণ — বিশুদ্ধ বায়ু স্বাস্থ্যৰ বাবে উপকাৰী, গায়কজনে শুৱলা গীত গাইছে। ইয়াত বিশুদ্ধ, শুৱলা শব্দদুটা বিশেষণ শব্দ। ইহঁতে ক্রমে বায়ু আৰু গীত পদক বিশেষকৈ বুজাইছে।

মন কৰিবলগীয়া কথা যে অসমীয়া ভাষাত বিশেষণ পদৰ ৰূপ নহয়। অর্থাৎ ইহঁত অব্যয় পদৰ দৰে অর্থাৎ বিশেষণ পদত কোনো বিভক্তি লগত নালাগে। উল্লিখিত বাক্যবোৰৰ বিশেষণ পদত কেতিয়াও বিভক্তিযুক্ত নহয়। বিশেষণত নাম বিভক্তি যোগ হ'লে সেইবোৰ নামপদৰ দৰে ব্যৱহাৰ হয়। যেনে— ছোৱালীজনী ভালত পৰিছে, ভাললৈ চাওঁতে কালহে হ'ল। এইবোৰ বিশেষণত বিভক্তি প্রয়োগ হোৱাৰ লগে লগে ইহঁত বিশেষ্য পদৰ দৰে হৈছে।

বাক্যত বিশেষণৰ স্থান আৰু আন পদৰ লগত থকা সম্পর্কৰ দিশলৈ চাই বিশেষণক মুখ্যতঃ চাৰিটা ভাগত ভগাব পাৰি। যথা — বিশেষ্যৰ বিশেষণ, সর্বনামৰ বিশেষণ, বিশেষণীয় বিশেষণ বা বিশেষণৰ বিশেষণ আৰু ক্রিয়া বিশেষণ।

উল্লেখযোগ্য যে ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে বিশেষণক তিনিটা ভাগত ভগাইছে। তেওঁ বিশেষ্যৰ বিশেষণ আৰু সর্বনামৰ বিশেষণক একেলগে নাম বিশেষণ বা বিশেষ্য-সর্বনামৰ বিশেষণ হিচাপে আলোচনা কৰিছে।

উদাহৰণৰ ভিত্তিত অসমীয়া ভাষাৰ লিঙ্গ বিচাৰ প্ৰক্ৰিয়াৰ এটা অংশক ব্যাকৰণগত বিষয় বুলি ক'ব পৰা যায়। উদাহৰণ—

বিদ্বান পুৰুষ	বিদূষী মহিলা
মহান পুৰুষ	মহীয়সী নাৰী
সুন্দৰ যুৱক	সুন্দৰী যুৱতী।

অসমীয়া ভাষাৰ লিঙ্গ নিৰ্ণয় কৰিবলৈ কিছুমান বিশেষ নিময় মানি চলা হয়। সেই বিষয়ে পৰৱৰ্তী অধ্যায়ত বহলাই আলোচনা কৰা যাব। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে, অসমীয়া ভাষাত কেতবোৰ বিশেষ্য আৰু সৰ্বনাম শব্দ আছে, যিবোৰৰ পুংলিংগ আৰু স্ত্ৰীলিংগ উভয়তে প্ৰয়োগ হ'ব পাৰে। অৰ্থাৎ এনেবোৰ শব্দৰ দ্বাৰা পুৰুষ বা স্ত্ৰীৰ ধাৰণা কৰিব নোৱাৰি। যেনে ঃ মানুহ — সভাত বহুত মানুহ গোট খাইছিল।

ইয়াত 'মানুহ' শব্দই মতা অথবা মাইকীৰ ধাৰণা নিদিয়ে। তেনেদৰে— আমি গুৱাহাটীলৈ যাম। এই বাক্যটোতো 'আমি' শব্দই পুৰুষ-স্ত্ৰীৰ ধাৰণা নিদিয়ে। এইবোৰক লিংগ নিৰপেক্ষ ৰূপ বোলা হয়। অসমীয়া ভাষাত লিংগ নিৰপেক্ষ শব্দ কিছুমান হ'ল— সখি, কবি, গল্পকাৰ, গ্ৰন্থাকাৰ, বাঘ, ভালুক, মই, তুমি, তোমালোক, তহঁত, এওঁ, তেওঁ, তেওঁলোক, এখেত, তেখেত, তেখেতসকল, এখেতসকল, আপুনি ইত্যাদি।

৬.৩.৩ কাৰক

বাক্যত ক্ৰিয়া পদৰ লগত অন্য পদৰ যি সম্পৰ্ক স্থাপিত হয় সেই সম্পৰ্ককে কাৰক বোলে। 'ক্ৰিয়ান্বয়ী কাৰকম্'-পাণিনি। অৰ্থাৎ ক্ৰিয়াৰ লগত যাৰ অন্বয় হয় তাক কাৰক বোলে। উদাহৰণস্বৰূপে — 'ডাক্তৰে ৰোগীজনক এৰোপ্লেনেৰে গুৱাহাটীৰ পৰা ভেলোৰলৈ নিলে।' এই বাক্যটোত নিলে ক্ৰিয়াপদৰ লগত আন পদবোৰৰ সম্পৰ্ক স্থাপিত হৈছে। এই সম্বন্ধই কাৰক। ডাক্তৰ, ৰোগীজনক, এৰোপ্লেনেৰে, গুৱাহাটীৰ পৰা, ভেলোৰলৈ প্ৰত্যেকেই একো একোটি কাৰক।

কোনে নিলে?	উত্তৰ	— ডাক্তৰে (কৰ্তা-কাৰক)
কাক নিলে?		— ৰোগীজনক (কৰ্ম-কাৰক)
কেনেকৈ নিলে?		— এৰোপ্লেনেৰে (কৰণ-কাৰক)
ক'ৰপৰা নিলে?		— গুৱাহাটীৰ পৰা (অপাদান কাৰক)
ক'লৈ নিলে?		— ভেলোৰলৈ (নিমিত্ত কাৰক)।

এনেদৰে ক্ৰিয়াপদৰ লগত হোৱা সম্বন্ধৰ ভিত্তিত অসমীয়া কাৰকক ছটা ভাগত ভগাব পাৰি — কৰ্তা-কাৰক, কৰ্ম-কাৰক, কৰণ-কাৰক, নিমিত্ত-কাৰক, অপাদান কাৰক আৰু অধিকৰণ-কাৰক।

এতিয়া আন এটা উদাহৰণলৈ মন কৰা হওক — 'এইটো মোৰ ঘৰ'। ইয়াত

অসমীয়া ভাষাত বিশেষণৰ একবচন আৰু বহুবচন ৰূপ পোৱা যায়। কিন্তু বিশেষণ পদে বচন বুজালে সি বিশেষ্যলৈ পৰিৱৰ্তন হৈ যায়। যেনে— ক'লাডাল, বগাডাল, ৰূপহীজনী, পু�ৰণাডাল ইত্যাদি। আকৌ ক্ৰিয়া পদত -হঁক যোগ কৰিলে বহুবচনৰ ধাৰণা জন্মায়। যেনে— তোমালোক যোৱাহঁক, আহাহঁক, খালাহঁকনে? আদিত বহুবচনৰ বোধ হৈছে। অসমীয়া ভাষাত অব্যয় পদৰ বচন পোৱা নাযায়।

অসমীয়া ভাষাত একবচন আৰু বহুবচন কৰাৰ বিশেষ কিছুমান নিয়ম পোৱা যায়। 'অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ' — শীৰ্ষক অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা কৰা হ'ব বাবে ইয়াত উল্লেখ কৰি যোৱা নহ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাত দ্বিবচনৰ প্ৰয়োগ আছেনে?

.....

৬.৩.২ লিংগ

লিংগ শব্দৰ অৰ্থ হ'ল চিন। যিহেৰে পুৰুষ আৰু স্ত্ৰী, অৰ্থাৎ মতা নে মাইকী চিনিব পাৰি তাকে লিংগ বোলে। লিংগ নিৰ্ণয়ৰ বাবে যিবোৰ প্ৰত্যয় বা ৰূপ প্ৰয়োগ কৰা হয় সেইবোৰক লিংগবাচক প্ৰত্যয় বোলে। অসমীয়া ভাষাত লিংগ দুবিধ— পুংলিংগ আৰু স্ত্ৰীলিংগ। মতা বুজালে পুংলিংগ আৰু মাইকী বা মহিলা বুজালে স্ত্ৰীলিংগ হয়। উদাহৰণ—

পুংলিংগবাচক শব্দ— পিতা, মামা, ভাই, ভতিজা, মখনা ইত্যাদি।

স্ত্ৰীলিংগবাচক শব্দ— স্ত্ৰী, আইতা, মা, গাই, বৰানী ইত্যাদি।

অসমীয়া ভাষাত নিৰ্জীৱ পদাৰ্থৰ কোনো লিংগ বিচাৰ কৰা নহয়। এইবোৰ লিংগবিহীন।

অসমীয়া ভাষাৰ লিঙ্গ বিচাৰ প্ৰক্ৰিয়াক সম্পূৰ্ণৰূপে ব্যাকৰণগত বিষয় বুলি বিবেচনা কৰা নহয়। বাক্যৰ গাঁথনিত লিংগই গাঁথনিক সংগতি ৰক্ষা নকৰে। বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণ বা ক্ৰিয়াপদৰ ৰূপৰ কোনো পৰিৱৰ্তন নহয়। উদাহৰণ—

ভাল ল'ৰা	ভাল ছোৱালী
ধুনীয়া ল'ৰা	ধুনীয়া ছোৱালী
ল'ৰাই খেলে	ছোৱালীয়ে খেলে।

উল্লিখিত উদাহৰণকেইটিত বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণ আৰু ক্ৰিয়া পদৰ কোনো পৰিৱৰ্তন হোৱা নাই। কিন্তু অসমীয়া ভাষাত প্ৰচলিত কেতবোৰ তৎসম আৰু তদ্ভৱ শব্দত সংস্কৃতৰ দৰে বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণবো লিংগ পৰিৱৰ্তন হয়। এনে

একোটা গোট বুজাবলৈ গণ্ডা, অঁৰা আৰু হালি ৰূপ পোৱা যায়। আকৌ সংখ্যাবাচক শব্দ যোগ কৰিও বচন নির্ণয় কৰা হয়। উদাহৰণ— এযোৰ কণী, তামোল গণ্ডা, দুইযোৰ কণী, চকুযুৰি, তামোল অঁৰা, গৰুহাল, পদযুগল, দুই অঁৰা তামোল, ইত্যাদি।আকৌ, বুৰি আৰু গুছি শব্দই একুৰি বা বিশ সংখ্যা বুজায়। যেনে— পাণ একুৰি, পাণ এগছি। তেনেদৰে পোন শব্দই আশী সংখ্যা বুজায়। যেনে— এপোন তামোল।

নব্য ভাৰতীয় আর্য ভাষাবোৰত বাক্যত কিছুমান পদ পোৱা যায়, যিবোৰে ব্যক্তি, প্রাণী বা বস্তুৰ কোনো সংখ্যা বা পৰিমাণৰ ধাৰণা নিদিয়ে। তেনেবোৰক বচন নিৰপেক্ষ ৰূপ বোলা হয়। অসমীয়া ভাষাৰ উদাহৰণেৰে কথাটো দেখুওৱা হ'ল —

বাৰীত গৰু সোমাল।

মেললৈ মেলুৰৈ আহিছে।

কিনিবলৈ দিয়া কলম কিনিলানে?

প্রথম বাক্যত 'গৰু' শব্দই এটা নে বহুত গৰুক বুজাইছে জানিব পৰা নাযায়। দ্বিতীয় বাক্যত মেললৈ এজন নে বহুত মেলুৰৈ আহিছে জানিব নোৱাৰি। তৃতীয় বাক্যটোতো কলম এটা নে বহুত, সেই কথা জানিব নোৱাৰি। গতিকে ক'ব পৰা যায় যে অসমীয়া ভাষাত বচনৰ তিনিটা ৰূপ আছে। এটা একবচনৰ, এটা বহুবচনৰ আৰু আনটোক বচন নিৰপেক্ষ ৰূপ বোলা হয়।

অসমীয়া ভাষাত বচন ব্যাকৰণগত (Grammatical Category or elements) নহয়। অসমীয়াত বিশেষণ পদৰ পৰা বিশেষ্যৰ বা বিশেষ্য পদৰ পৰা ক্রিয়া পদৰ বা ক্রিয়া পদৰ পৰা বিশেষ্য বা সর্বনাম পদৰ বচন জনাৰ উপায় নাই। উদাহৰণ— ল'ৰাজন আহিছে।

ধুনীয়া ল'ৰাজন আহিছে।

ধুনীয়া ল'ৰাবোৰ আহিছে।

এই বাক্যকেইটাত ক্রিয়াপদ একেই আছে। বচন সলনিৰ লগে লগে ক্রিয়াপদৰ একো সালসলনি ঘটা নাই। আকৌ, বচন সলনিৰ লগে লগে বিশেষণ পদ 'ধুনীয়া'ৰ কোনো পৰিৱর্তন হোৱা নাই বা ধুনীয়া পদৰ বচন সলনি হোৱা নাই।

অসমীয়া ভাষাত বিশেষ্য আৰু সর্বনাম পদৰ বচন পোৱা যায়। বিশেষ্য পদৰ একবচন, বহুবচন আৰু বচন নিৰপেক্ষ ৰূপ পোৱা যায়। যেনে— বাঘ ওলাইছে। (বচন নিৰপেক্ষ), বাঘটো মৰিল। (একবচন), বাঘবোৰ পলাল। (বহুবচন)।

সর্বনাম পদৰ একবচন আৰু বহুবচনৰ ৰূপহে আছে, বচন নিৰপেক্ষ ৰূপ নাই।

যেনে—	**একবচন**	**বহুবচন**
	মই	আমি
	তই	তহঁত
	তুমি	তোমালোক

কেইটামান অধ্যায়ত আমি অসমীয়া ভাষাৰ বচন, লিঙ্গ, কাৰক সম্পৰ্কে বহলাই আলোচনা কৰিব বাবে ইয়াত কেৱল সেই দিশ কেইটা চমুকৈ উল্লেখহে কৰি যোৱা হ'ব। অধ্যায়টোৰ আলোচনাত সন্নিৱিষ্ট হোৱা বিষয়সমূহে অসমীয়া ব্যাকৰণৰ লগত জড়িত নানানটা দিশৰ বিষয়ে সামগ্রিক ধাৰণা লাভ কৰাত আপোনক সহায় কৰিব।

৬.৩ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে বচন, লিংগ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্রিয়া আদি ৰূপতত্ত্বৰ লগত সম্পর্কীত দিশ। তলত অসমীয়া ভাষাৰ এই দিশসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল।

৬.৩.১ বচন

ভাষাৰ ৰূপতত্ত্বৰ এটি আলোচ্য বিষয় হ'ল বচন। ভাষাৰ আলোচনাত বচনে পদৰ সংখ্যা বা পৰিমাণ বুজায়। যাৰ দ্বাৰা পদৰ সংখ্যা বা পৰিমাণৰ বোধ জন্মে তাকে বচন বোলে। বচনৰ ইংৰাজী প্রতিশব্দ হ'ল number। উদাহৰণস্বৰূপে—

তুমি এইফালে আহাচোন।
মই আৰু তুমি একেলগে যাম।
তোমালোক কেলেই নাহিলা?

এই বাক্যকেইটাৰ তুমি, মই আৰু তুমি, তোমালোক পদে ক্রমে এজন ব্যক্তি, দুজন ব্যক্তি আৰু বহু ব্যক্তিক বুজাইছে। এনেদৰে পদে এজনক বুজালে একবচন, দুটাক বুজালে দ্বিবচন আৰু বহুতক বুজালে বহুবচন বোলা হয়।

বচন সাধাৰণতে দুটা— একবচন আৰু বহুবচন। কোনো কোনো ভাষাত একবচন আৰু বহুবচনৰ উপৰি দ্বিবচনো পোৱা যায়। দ্বিবচনৰ প্রয়োগ বৈদিক, প্রাচীন গ্রীক আদি ভাষাতো প্রয়োগ দেখা যায়। আনকি প্রাকৃততো দ্বিবচনৰ প্রয়োগ সীমিত ৰূপত দৃশ্যমান। বৈদিক প্রভৃতি প্রাচীন ভাষাত যুগ্মদেৱতা, চক্ষু প্রভৃতি স্বভাৱজাত যুগ্ম শব্দৰ ক্ষেত্রত বহুবচন প্রযুক্ত হয়। প্রাকৃততো এই ধাৰাটো অব্যাহত। মধ্যভাৰতীয় আর্য ভাষাৰ প্রথম স্তৰতেই (পালি, অশোকৰ অনুশাসন আদিত) দ্বিবচনৰ বিলোপ সাধন লক্ষ্যণীয়। দ্বিবচনৰ চিনৰূপে মাথোন উভো (> উভৌ), দো > দ্বৌ), দুৱে, দুৱি, ৱে (< দ্বে) আদি ৰ'লগৈ। একবচন আৰু বহুবচনৰ পার্থক্য সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ অব্যাহত আছে। অসমীয়াকে আদি কৰি প্রায়বোৰ নব্য ভাৰতীয় আর্য ভাষাত বচন দুটা— একবচন আৰু বহুবচন। এটা বা এজনক বুজালে একবচন আৰু দুটা বা ততোধিক বুজালে বহুবচন হয়। দ্বিবচন বহুবচনৰ লগত যুক্ত হ'ল। কিন্তু দুটা বস্তুক একেলগে বুজাবলৈ অসমীয়া ভাষাত কেইটিমান ৰূপ আছে। সেইবোৰ হৈছে যোৰ/যুৱি, হাল, যুগল আৰু দ্বয়। চাৰিটা বস্তুৰ

অধ্যায় ৬ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ২

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ

- ৬.৩.১ বচন
- ৬.৩.২ লিংগ
- ৬.৩.৩ কাৰক
- ৬.৩.৪ বিশেষণ আৰু বিশেষণৰ তুলনা
- ৬.৩.৫ সর্বনাম আৰু সর্বনামীয় ৰূপ
- ৬.৩.৬ ক্রিয়া

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান

৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বচন কেইবিধৰ তাৰ পৰিচয় লাভ কৰিব পাৰিব
- অসমীয়া ভাষাত লিংগ নির্ণয়ৰ পদ্ধতি কেনেকুৱা, সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- বিশেষণৰ সাধাৰণ পৰিচয় লাভৰ লগতে বিশেষণৰ শ্রেণীবিভাজন সম্বন্ধে আলোচনা কৰিব পাৰিব
- সর্বনাম আৰু সর্বনামীয় ৰূপ সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া ক্রিয়া ৰূপৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটিত আপুনি ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ দুটামান দিশ সম্পর্কে অৱগত হ'ল। এই অধ্যায়টোত আমি অসমীয়া ৰূপতত্ত্বৰ অন্তর্গত কেইটামান বিশেষ দিশ সম্পর্কে বহলাই আলোচনা কৰিম। মূলতঃ অসমীয়া ভাষাৰ বচন, লিংগ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্রিয়া — এই দিশকেইটাৰ বিষয়ে চমুকৈ আলোকপাত কৰিম। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে পৰৱর্তী